**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 28-01-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১।	ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনক উদ্দেশি দিয়া ভাষণেৰে আজি সংসদৰ বাজেট অধিৱেশন আৰম্ভ হ'ব।

২।	সংসদৰ বাজেট অধিৱেশনৰ পূৰ্বে চৰকাৰে কালি নতুন দিল্লীৰ সংসদৰ উপ-ভৱনত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰে।

৩।	ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ঐতিহাসিক ভাৰত-ইউৰোপীয় সংঘৰ মুক্ত বাণিজ্য চুক্তিয়ে উভয় দেশৰ জনসাধাৰণৰ জীৱনধাৰণৰ ক্ষেত্ৰত ইতিবাচক পৰিৱৰ্তন আনিব বুলি আশা প্ৰকাশ কৰিছে।

৪।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ কৰিয়াপ্পা পেৰেড গ্ৰাউণ্ডত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ বাৰ্ষিক পি এম ৰেলীক সম্বোধন কৰিব। ***আৰু***

৫।	পুৰুষৰ ১৯ বছৰ অনূৰ্ধ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কালি বুলাৱায়'ত অনুষ্ঠিত ছুপাৰ ছিক্স পৰ্যায়ৰ এখন খেলত ভাৰতে জিম্বাব'ৱেক ২০৪ ৰানত পৰাস্ত কৰে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনক উদ্দেশি দিয়া ভাষণেৰে আজি সংসদৰ বাজেট অধিৱেশন আৰম্ভ হ'ব। কাইলৈ অৰ্থনৈতিক সমীক্ষা দাখিল কৰা হ'ব আৰু অহা পহিলা ফেব্ৰুৱাৰীৰ দেওবাৰে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰিব। আজিৰ পৰা ১৩ ফেব্ৰুৱাৰীলৈ অধিৱেশনৰ প্ৰথম পৰ্যায় আৰু ৯ মাৰ্চৰ পৰা ২ এপ্ৰিললৈ দ্বিতীয় পৰ্যায়ৰ কাম-কাজসমূহ চলিব। এইবাৰৰ অধিৱেশনৰ সময়ত মুঠ ৩০ দিন সদনৰ কাম-কাজ চলিব।

০০০০০

সংসদৰ বাজেট অধিৱেশনৰ পূৰ্বে চৰকাৰে কালি নতুন দিল্লীৰ সংসদৰ উপ-ভৱনত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰে। কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে বৈঠকত অধ্যক্ষতা কৰে। ৰাজ্য সভাৰ নেতা জে পি নাড্ডা, কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজু, সংসদীয় পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল আৰু ড০ এল মুৰুগন বৈঠকত উপস্থিত থাকে। কংগ্ৰেছ নেতা জয়ৰাম ৰমেশ, ডি এম কেৰ নেতা তিৰুচী শিৱা, তৃণমূল কংগ্ৰেছৰ নেত্ৰী সাগৰিকা ঘোষ, সমাজবাদী পাৰ্টিৰ সাংসদ ৰাম গোপাল যাদৱৰ লগতে অন্যান্য সকলে এই বৈঠকত অংশ লয়।

উল্লেখযোগ্য যে আজি সংসদৰ বাজেট অধিৱেশন আৰম্ভ হ'ব আৰু ২ এপ্ৰিলত অধিৱেশনৰ সামৰণি পৰিব। সৰ্বদলীয় বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে বাজেট অধিৱেশনৰ প্ৰথম পৰ্যায়ত ৰাষ্ট্ৰপতিৰ ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ উত্থাপন কৰা হ'ব। পাছত সংসদৰ উভয় সদনত বাজেটক লৈ আলোচনা অনুষ্ঠিত হ'ব। শ্ৰীৰিজিজুকে বাজেট

অধিৱেশনৰ সময়ছোৱাত সংসদৰ কাম-কাজ সুচাৰুৰূপে চলাই নিয়াত সহযোগিতা আগবঢ়াবলৈ সকলো দলৰ প্ৰতি আহ্বান জনায়।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ঐতিহাসিক ভাৰত-ইউৰোপীয় সংঘৰ মুক্ত বাণিজ্য চুক্তিৰ সফল সমাপনত সন্তুষ্টি প্ৰকাশ কৰি কয়, যে এই চুক্তিৰ ফলত উভয় দেশৰ জনসাধাৰণৰ জীৱনধাৰণৰ ক্ষেত্ৰত ইতিবাচক পৰিৱৰ্তন আহিব। তেওঁ কয়, যে ভাৰত আৰু ইউৰোপ কেৱল সমসাময়িক স্বাৰ্থৰ সৈতে নহয় বৰঞ্চ গণতন্ত্ৰ, বহুবাদ আৰু মুক্ত বজাৰ অৰ্থ ব্যৱস্থাৰ প্ৰমূল্যসমূহৰ সৈতেও জড়িত। ৰাষ্ট্ৰপতি ভৱনত কালি ইউৰোপীয় পৰিষদৰ অধ্যক্ষ এণ্টনিঅ' কোষ্টা আৰু ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্চুলা ৱন ডেৰ লায়নৰ সন্মানাৰ্থে আয়োজিত প্ৰীতিভোজত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে অৰ্থনৈতিক সহযোগিতা ভাৰত-ইউৰোপীয় সংঘৰ সম্পৰ্কৰ এটা প্ৰধান স্তম্ভ। শ্ৰীমতী মুৰ্মুৱে কয়, যে ভাৰত আৰু ইউৰোপীয় সংঘই ব্যৱসায় আৰু বিনিয়োগক সমৃদ্ধি আৰু সামাজিক প্ৰগতিৰ আহিলা হিচাপে প্ৰাধান্য দি আহিছে। শ্ৰীমতী মুৰ্মুৱে যোৱা দুটা দশকত ভাৰত আৰু ইউৰোপীয় সংঘৰ কৌশলগত অংশীদাৰিত্ব ক্ৰমাৎ শক্তিশালী হৈ অহাৰ বাবে সন্তোষ প্ৰকাশ কৰিছে।

০০০০০

ভাৰত আৰু ইউৰোপীয় সংঘৰ মুক্ত বাণিজ্য চুক্তি হৈছে দেশৰ বস্ত্ৰ আৰু সাঁজ পাৰ খণ্ডৰ বাবে এখন ৰূপান্তৰমূলক বাণিজ্য চুক্তি যিহেতু এই খণ্ডত ইউৰোপীয় সংঘ হৈছে ভাৰতৰ দ্বিতীয় বৃহৎ ৰপ্তানি কেন্দ্ৰস্থল। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰালয়ে কালি এই কথা প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে কৈছে যে, বিগত ৫ বছৰত, ইউৰোপীয় সংঘলৈ ভাৰতৰ ৰপ্তানিৰ উল্লেখযোগ্য বিকাশ পৰিলক্ষিত হৈছে। ভাৰতৰ পৰা ইউৰোপীয় সংঘলৈ ৰপ্তানিৰ ক্ষেত্ৰত ৰেডিমেড পোছাক সৰ্বাধিক শীৰ্ষত থকাৰ লগতে কপাহী বস্ত্ৰ, দেশত নিৰ্মিত আঁহজাতীয় সামগ্ৰী, হস্তশিল্প আৰু কাৰ্পেট আদি সামগ্ৰীয়ে ইয়াৰ পিছত স্থান লাভ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীৰ কৰিয়াপ্পা পেৰেড গ্ৰাউণ্ডত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী চমুকৈ এন চি চিৰ বাৰ্ষিক পি এম ৰেলীক সম্বোধন কৰিব। এই বছৰৰ এই ৰেলীৰ বিষয় হৈছে- ৰাষ্ট্ৰ প্ৰথম-কৰ্তব্যনিষ্ঠ যুৱা। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে এটা বিবৃতিত জনোৱা মতে এই ৰেলীয়ে ভাৰতৰ যুৱ প্ৰজন্মৰ মাজত থকা দায়িত্ব, অনুশাসন আৰু ৰাষ্ট্ৰৰ প্ৰতি থকা সমৰ্পণৰ মনোভাৱকে প্ৰতিফলিত কৰে। এই ৰেলীত সমগ্ৰ দেশৰ দুহেজাৰ ৪০৬ গৰাকী এন চি চিৰ সদস্যই অংশগ্ৰহণ কৰাৰ লগতে ২১ খন বিদেশী ৰাষ্ট্ৰৰ ২০৭ গৰাকী যুৱক-যুৱতী আৰু বিষয়া পৰ্যায়ৰ প্ৰতিনিধিয়ে ভাগ ল'ব। ৰেলীৰ সৈতে সংগতি ৰাখি আয়োজিত অনুষ্ঠানত এন চি চিৰ সদস্যসকলে বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যসূচী প্ৰদৰ্শন কৰিব। অনুষ্ঠানত ৰাষ্ট্ৰীয় ৰংগশালা আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিয়ে ৰাষ্ট্ৰ নিৰ্মাণ, সমাজসেৱা আৰু চৰিত্ৰ বিকাশৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভূমিকাকো দৰ্শোৱা হ'ব।

০০০০০

পঞ্চায়তীৰাজ, শিক্ষা আৰু জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে আদৰ্শ যুৱ গ্ৰাম সভা উদ্যমৰ বিজয়ীসকলৰ সন্মানাৰ্থে আজি নতুন দিল্লীত যুটীয়াভাৱে ৰাষ্ট্ৰীয় বঁটা বিতৰণী কাৰ্যসূচীৰ আয়োজন কৰিছে। ৰাজ্য মন্ত্ৰী এছ পি বাঘিল আৰু ড০ সুকান্ত মজুমদাৰে এই অনুষ্ঠানত ভাগ ল'ব। শিক্ষাৰ্থী, শিক্ষক আৰু পঞ্চায়তীৰাজ প্ৰতিনিধিকে ধৰি প্ৰায় ৯০০ গৰাকী প্ৰতিনিধি এই অনুষ্ঠানত উপস্থিত থাকিব। উল্লেখযোগ্য যে এই আদৰ্শ

যুৱ গ্ৰাম সভা কাৰ্যসূচীত সমগ্ৰ দেশৰ জৱাহৰ নৱোদয় বিদ্যালয় আৰু একলব্য আবাসীক বিদ্যালয়ৰ ২৮ হাজাৰতকৈও অধিক শিক্ষাৰ্থীয়ে ভাগ লৈছে।

০০০০০

১৮ খন দেশৰ বিদেশী প্ৰতিনিধিয়ে কালি নতুন দিল্লীত চলি থকা পি এম বিশ্বকৰ্মা হাট পৰিদৰ্শন কৰে। অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগ মন্ত্ৰালয়ে আলজেৰিয়া, বেলাৰুছ, কেমেৰুণ, কিউবা, ইকিউড'ৰ আৰু ইথিঅ'পিয়াৰ লগতে আন কেইবাখনো দেশৰ প্ৰতিনিধিক এই অনুষ্ঠানত সম্ভাষণ জনায়। অনুষ্ঠানত এম এছ এম ইৰ মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব আৰু উন্নয়ন আয়ুক্ত ডা০ ৰজনীশে বিদেশী প্ৰতিনিধিসকলক চৰকাৰে গ্ৰহণ কৰা উল্লেখযোগ্য পদক্ষেপসমূহৰ বিষয়ে অৱগত কৰোৱাৰ লগতে নিয়োগৰ সৃষ্টি কৰা সৰ্বাত্মক বিকাশত উদগণি যোগোৱাৰ ক্ষেত্ৰত এই পদক্ষেপসমূহৰ ভূমিকাৰ বিষয়েও উল্লেখ কৰে। অনুষ্ঠানত অসম, ৰাজস্থান, পাঞ্জাব আৰু লাডাখৰ বাৰেৰহণীয়া সাংস্কৃতিক কাৰ্যসূচীও অনুষ্ঠিত হয়। যোৱা ১৮ জানুৱাৰীৰ পৰা আৰম্ভ হোৱা পি এম বিশ্বকৰ্মা হাট জনসাধাৰণৰ বাবে অহা শনিবাৰলৈ প্ৰতিদিনে পুৱা চাৰে ১০ বজাৰ পৰা নিশা ১০ বজালৈ খোলা থাকিব। অহা শনিবাৰে এই প্ৰদৰ্শনীৰ সামৰণি পৰিব।

০০০০০

কেন্দ্ৰীয় ঔদ্যোগিক নিৰাপত্তা বাহিনী- CISFয়ে আজিৰে পৰা অহা ২২ ফেব্ৰুৱাৰীলৈ বন্দে মাতৰম উপকূলীয় চাইক্ল'থন-২০২৬ শীৰ্ষক উপকূলীয় চাইক্ল'থনৰ দ্বিতীয় সংস্কৰণৰ আয়োজন কৰিছে। গৃহ পৰিক্ৰমা বিভাগৰ ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়ে আজি পুৱা নতুন দিল্লীত ভাৰ্চুৱেল ব্যৱস্থাৰে পতাকা জোকাৰি এই চাইক্ল'থনৰ শুভাৰম্ভ কৰিব। ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে এই চাইক্ল'থনৰ আয়োজন কৰা হৈছে। ইয়াৰ সমান্তৰালভাৱে CISFৰ দুগৰাকী চাইক্লিষ্টে পশ্চিমবংগৰ বাখালীৰ পৰা গুজৰাটৰ লাখপট কিল্লালৈ চাইকেলেৰে তেওঁলোকৰ যাত্ৰা আৰম্ভ কৰিব। এইবাৰৰ এই চাইক্ল'থনৰ বিষয়বস্তু হৈছে— সুৰক্ষিত উপকূল, সমৃদ্ধ ভাৰত।

০০০০০

সৰ্বভাৰতীয় ব্যৱসায় সংঘই ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজৰ মুক্ত বাণিজ্য চুক্তি, ভাৰতীয় ব্যৱসায়, অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগত তথা উৎপাদন ক্ষেত্ৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় সুযোগ বুলি অভিহিত কৰিছে। এই চুক্তিক দেশৰ আন্তঃৰাষ্ট্ৰীয় অৰ্থনৈতিক অংশীদাৰিত্বৰ ক্ষেত্ৰত ঐতিহাসিক আৰু কৌশলগত মাইলৰ খুঁটি বুলি উল্লেখ কৰি ব্যৱসায় সংঘই কৈছে, যে ইয়ে ইউৰোপীয় সংঘত ভাৰতীয় সামগ্ৰী আৰু সেৱাসমূহৰ বাবে বজাৰ উপলভ্যতা উল্লেখনীয়ভাৱে বৃদ্ধি কৰিব।

০০০০০

মহাৰাষ্ট্ৰৰ ছত্ৰপতি সম্ভাজীনগৰত আজিৰে পৰা একাদশ অজন্তা ইলোৰা আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ অনুষ্ঠিত হ'ব। এই উপলক্ষে কিংবদন্তী সংগীত পৰিচালক আৰু পদ্ম বিভূষণ সন্মানেৰে সন্মানিত ইলিয়াৰাজাক ভাৰতীয় চলচ্চিত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে সন্মানীয় পদ্মপাণি বঁটা প্ৰদান কৰা হ'ব। অনুষ্ঠানত বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা আশুতোষ গোৱাৰীকাৰ আৰু জনপ্ৰিয় শব্দ যন্ত্ৰী ৰেছুল পুকুত্তিও উপস্থিত থাকিব।

০০০০০

পুৰুষৰ ১৯ বছৰ অনূৰ্ধ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কালি সন্ধিয়া বুলাৱায়'ত অনুষ্ঠিত ছুপাৰ ছিক্স পৰ্যায়ৰ এখন খেলত ভাৰতে জিম্বাব'ৱেক ২০৪ ৰানত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰি ভাৰতে

নিৰ্ধাৰিত ৫০ অভাৰত ৩৫২ ৰান কৰে। বিহান মালহোত্ৰাই ১০৯ ৰান কৰি আউট নোহোৱাকৈ থাকে। বিহানৰ শতকটো প্ৰতিযোগিতাত ভাৰতৰ প্ৰথমটো শতক আছিল। ১৪ বছৰ বয়সৰ বৈভৱ সূৰ্যবংশীয়ে ৩০টা বলত ৫২ ৰান কৰাৰ লগতে অভিজ্ঞান কুণ্ডুয়ে ৬১ আৰু খিলান পেটেলে ৩০ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত জিম্বাব'ৱেই ৩৭ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১৪৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ আৰ এছ আম্ব্ৰিছে খেলখনৰ আৰম্ভণিতে দুটা উইকেট লাভ কৰে। অধিনায়ক আয়ুষ মাহাত্ৰে আৰু উদ্ধৱ মোহনে তিনিটাকৈ উইকেট লাভ কৰে।

ooooo

কেলকেত্তা উচ্চ ন্যায়ালয়ে সীমান্তৰ ৯খন জিলাত  অহা ৩১ মাৰ্চৰ ভিতৰত কাঁইটীয়া তাঁৰৰ বেৰ দিয়াৰ বাবে ভূমি হস্তান্তৰ কৰিবলৈ পশ্চিম বংগ চৰকাৰক নিৰ্দেশ দিছে। মুখ্য ন্যায়াধীশ সুজয় পাল আৰু ন্যায়াধীশ পাৰ্থ সাৰথি সেনক লৈ গঠিত বিচাৰপীঠে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে দখল  কৰা আৰু পুঁজিৰ আবণ্টন দিয়া ভূমি শীঘ্ৰেই হস্তান্তৰ কৰাৰ নিৰ্দেশ দিয়ে। অধিগ্ৰহণৰ বাবে ৰাজ্য মন্ত্ৰীসভাৰ অনুমোদন লাভ কৰিবলৈ বাকী থকা ভূমি সন্দৰ্ভত , ন্যায়ালয়ে শীঘ্ৰেই শুনানী প্ৰকাশ কৰিব।

ooooo

সমাপ্ত